ऑयल इंडिया
OIL INDIA

ऑयल इंडिया लिमिटेड
**Oil India Limited**
भारत सरकार के अधीन
एक महारत्न सीपीएसई
A Maharatna CPSE under
Government of India

निगमित कार्यालय /Corporate Office
ऑयल हाउस/OIL House,
प्लॉट नं. / Plot No.19, सेक्टर/Sector -16A,
नोएडा/ Noida-201301(उ.प्र.) (U.P.)
फोन/Phone: +91-120-2419000
ई-मेल/E-mail: oilindia@oilindia.in

Ref. No. OIL/SEC/32-33/NSE-BSE
Dated: 19.08.2026

| | |
|---|---|
| **National Stock Exchange of India Ltd.**<br>Exchange Plaza,<br>Plot no. C/1, G Block,<br>Bandra-Kurla Complex<br>Bandra (E), Mumbai - 400 051<br><br>**Scrip: OIL** | **BSE Limited**<br>Department of Corporate Service<br>Phiroze Jeejeebhoy Towers<br>Dalal Street,<br>Mumbai - 400 001<br><br>**Scrip: 533106** |

**Sub:** **Newspaper Publication-Notice for registration / updation of Email IDs & Special Window for Transfer and Dematerialisation of Physical Securities**

Sir / Madam,

Please find enclosed herewith copies of Newspaper Notice regarding registration / updation of Email IDs & Special Window for Transfer and Dematerialisation of Physical Securities, published on 19.08.2026.

This is for your information & records please.

Thanking you,

Yours faithfully,
For Oil India Limited

Ajaya Kumar Sahoo
Digitally signed by Ajaya Kumar Sahoo
Date: 2026.08.19 15:57:34 +05'30'

A.K. Sahoo
Company Secretary &
Compliance Officer

Encl: As above

## RESONANCE SPECIALTIES LIMITED

**Regd. Office:** Plot No 54-D Kandivli Industrial Estate,
Kandivli (West), Mumbai 400 067. Phone: 022-62106053
Email Id: investors@resonancesl.com CIN: L25209MH1989PLC051993

**NOTICE**

NOTICE is hereby given that the Company has completed the electronic dispatch of the Postal Ballot Notice on August 18, 2026 under the provisions of Section 110 of the Companies Act, 2013, to the Members whose names appear in the Register of Members/ Beneficial owners as on the cut-off date i.e. August 14, 2026 seeking assent / dissent of the Members through Postal Ballot only through e-voting for the following Ordinary Resolution to be passed as per the postal ballot notice dated August 4, 2026:

Material Related party transaction with Kaygee Laboratories Private Limited ("KLPL") for purchase of KLPL's manufacturing facility situated at Mandideep, Madhya Pradesh alongwith leasehold land, buildings, plant & machineries, licenses, permits, along with employees, etc. for a consideration of Rs. 29.98 crores on slump sale basis.

The Postal Ballot Notice is also available on the Company's website www.resonancesl.com and website of National Securities Depository Limited (NSDL) www.evoting.nsdl.com. These details are also available on the website of the Stock Exchange where the shares of the Company are listed: BSE Limited (www.bseindia.com).

In compliance with the provisions of Sections 108 and 110 of the Act and Rules 20 and 22 of the Companies (Management and Administration) Rules, 2014 as amended ("Rules") and Regulation 44 of the SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015 as amended, the Company is pleased to provide voting by electronic means ("e-voting") facility to the Members, to enable them to cast their votes electronically. The Company has engaged the services of National Securities Depository Limited (NSDL) to provide e-voting facility to its Members.

The e-voting period commences from 9.00 a.m. (IST) on Thursday, August 20, 2026 and ends at 5.00 p.m. (IST) on Friday, September 18, 2026. During this period, Members holding shares either in physical form or in dematerialized form, as on Friday, August 14, 2026 i.e. cut-off date, may cast their vote electronically. The e-voting module shall be disabled by NSDL for voting thereafter. Once the vote on a resolution is cast by the Member, he/she shall not be allowed to change it subsequently or cast vote again. Voting rights will be reckoned on the paid-up value of Equity Shares registered in the name of the Members on Friday, August 14, 2026.

For details relating to e-voting, please refer to the Postal Ballot Notice. In case of any queries, you may refer the Frequently Asked Questions (FAQs) for shareholders and e-voting user manual for shareholders available at www.evoting.nsdl.com or call on No.: 02248867000 or send a request at evoting@nsdl.com. In case of any grievances connected with facility for voting by electronic means, please contact Mr. Sanjeev Yadav, NSDL, at evoting@nsdl. com.

The results of the Postal Ballot will be announced on Monday, September 21, 2026. The said results would be displayed on the notice board at the registered office of the Company and intimated to BSE Limited where the shares of the Company are listed. Additionally, the results will also be uploaded on the Company's website www.resonancesl.com and on the website of NSDL at www.evoting.nsdl.com.

**By order of the Board**
For **Resonance Specialties Limited**
**Vaibhavi Shah**
Company Secretary & Compliance Officer
A72229

Place: Mumbai
Date: August 19, 2026

## Manaksia Aluminium Company Limited

**Corporate Identity Number: L27100WB2010PLC144405**
Registered Office: Bikaner Building, 8/1, Lal Bazar Street, 3rd Floor, Kolkata, West Bengal-700001
E-mail: info@malcoindia.co.in, Website: www.manaksiaaluminium.com
Phone: +91-33-2243 5053/5054

**PUBLIC NOTICE TO THE SHAREHOLDERS OF 16TH ANNUAL GENERAL MEETING**

The 16th Annual General Meeting ('AGM') of the Company will be held on **Tuesday, 22nd September, 2026 at 01:30 p.m.** (IST) through Video Conference ('VC') / Other Audio-Visual Means ('OAVM') facility to be provided by the National Securities Depository Limited ('NSDL') to transact the business(es) as set out in the Notice dated 11.08.2026 convening the AGM which will be circulated. This is in compliance with the applicable provisions of the Companies Act, 2013 and the Rules made thereunder, read with General Circulars dated April 8, 2020, April 13, 2020, May 5, 2020 and subsequent circulars issued in this regard the latest being 03/2025 dated September 22, 2025 issued by the Ministry of Corporate Affairs ('MCA Circulars') and SEBI/HO/DDHS/DDHS-PoD-1/P/CIR/2025/83 dated June 05, 2025 issued by the Securities and Exchange Board of India ('SEBI Circulars').

In accordance with the MCA Circulars and SEBI Circulars, the Notice convening the 16th AGM (the "Notice") alongwith the soft copy of Annual Report for the Financial Year 2025-26 will be sent only by electronic mode to those Members whose email addresses are registered with the Company/Depository Participants/Registrar and Share Transfer Agent (the 'RTA').

For registration/ updation of e-mail addresses, the Members can follow the guidance, as under:

| | |
|---|---|
| Those members who have not yet registered their email addresses and mobile numbers including address and bank details (including any changes thereof) for the purpose of receipt of Dividend: | **Demat Holding :** By contacting their Depository Participants<br>**Physical Holding :** The shareholders are requested to note that SEBI vide its Master Circular No. SEB1/HO/MIRSD/POD-1/P/CIR/2024/37 dated 7th May, 2024 and Circular No. SEBI/HO/MIRSD/POD-1/P/CIR/2024/81 dated June 10, 2024 has mandated that with effect from April 01, 2024 dividend to Shareholders (holding shares in physical form), shall be paid only through electronic mode. Members, holding securities in physical form, whose folio(s) are not updated with any of the KYC details [viz., (i) PAN; (ii) Choice of Nomination; (iii) Contact Details; (iv) Mobile Number; (v) Bank Account Details and (vi) Signature shall be eligible for any payment of dividend, in respect of such folios, only through electronic mode with effect from 1st April, 2024. In accordance with the above, dividends, in respect of physical folios wherein any of the above KYC details are not updated before the cut-off date, will be held back by the Company. Members may please note that the dividends will get credited to their bank account only after the KYC details are updated in the folio.<br>Members holding shares in physical form are requested to submit their PAN, KYC and Nomination details by sending a duly filled and signed Form ISR-1, ISR-2, ISR-3 or SH-13, as applicable, available on the website of the Company **www.manaksiaaluminium.com** and also available on the website of RTA of the Company at **https://www.mdpl.in/downloads.php/** to Maheshwari Datamatics Private Limited, 23 R.N Mukherjee Road, 5th Floor, Kolkata- 700001 or by email to mdpldc@yahoo.com from their registered email id. |

Members holding shares in physical mode or whose email addresses are not registered, may cast their votes through e-Voting system, after registering their email addresses as per the procedure mentioned above.

The Record Date for determining entitlement of members to the final dividend for the financial year ended 31st March, 2026, if approved at the 16th Annual General Meeting of the Company is Tuesday, 15th September, 2026.

As per SEBI (Listing Obligation and Disclosure Requirements) (Fifth Amendment) Regulations, 2025, along with the SEBI Master Circular dated 6th February, 2026, as amended from time to time, for those members holding shares in physical form, dividend payments shall be made in electronic mode only if they have completed/updated their postal address with PIN, mobile number. bank account de1ails. PAN linked with Aadhaar, specimen signature ("KYC Details") with the Company. Therefore, members are requested to update/complete there KYC Details.

Members holding shares in physical mode, may send their mandates, for receiving dividend amount directly into their bank accounts through any RBI approved electronic mode of payments, by writing at **investor@malcoindia.co.in** or to the RTA at **mdpldc@yahoo.com** enclosing the following documents:

(a) Folio Number and self-attested copy of PAN Card;
(b) Name of the Bank and Branch where dividend is to be received and type of Account;
(c) Bank Account No. allotted to you by your Bank after implementation of Core Banking Solutions and 11 digit IFSC Code; and
(d) Self-attested scanned copy of Bank Passbook and Cancelled Cheque leaf bearing the name of the Member or the first holder.

However, in case the Company is unable to transfer the dividend entitlements directly through the RBI approved electronic mode(s), the Company shall dispatch the Dividend Warrant/ Banker's Cheque / Demand Draft to such Members.

Pursuant to the Provisions of the Income Tax Act, 1961, dividend income will be taxable in the hands of shareholders and the Company is required to deduct tax at source from dividend paid to shareholders at the prescribed rates. For the prescribed rates of various categories, the shareholders at requested to refer to the Income tax Act, 1961 and amendments thereof. The shareholders are requested to update their PAN with the company RTA (in case shares are held in physical mode) and depositories (in case shares are held in demat mode).

Members may note that the Notice of AGM and Annual Report for the Financial Year 2025-26 will also be available on the Company's website at **www.manaksiaaluminium.com** websites of the Stock Exchanges i.e., National Stock Exchange of India Ltd and BSE Limited at **www.nseindia.com** and **www.bseindia.com** respectively. Members can attend and participate in the AGM through VC/OAVM facility only. The instructions for joining the AGM are provided in the Notice of the AGM. Members attending the meeting through VC/OAVM shall be counted for the purposes of reckoning the quorum under Section 103 of the Companies Act, 2013.

The Company is providing remote e-voting facility ('remote e-voting') to all its Members to cast their votes on all resolutions set out in the Notice of the AGM. Additionally, the Company is providing the facility of voting through e-voting system during the AGM ("e-voting"). Detailed procedure for remote e-voting/ e-voting is provided in the Notice of the AGM.

The 16th AGM Notice will be sent to the shareholders in accordance with the applicable laws on their registered email addresses in the due course.

*For* **Manaksia Aluminium Company Limited**
**Abhishek Chakraborty**
Company Secretary & Compliance Officer
Membership No. A60134

Place: Kolkata
Date: 18th August, 2026

## JAGRAN PRAKASHAN LIMITED

**CIN-L22219UP1975PLC004147**
**Registered Office: Jagran Building, 2, Sarvodaya Nagar, Kanpur-208005**
**Tel: +91 512 2216161; Website: www.jplcorp.in;**
**E-mail: investor@jagran.com**

**INFORMATION REGARDING 50TH ANNUAL GENERAL MEETING OF JAGRAN PRAKASHAN LIMITED TO BE HELD THROUGH VIDEO CONFERENCING (VC) / OTHER AUDIO VISUAL MEANS (OAVM)**

Members are hereby informed that the 50th Annual General Meeting **("AGM")** of the Members of Jagran Prakashan Limited **("the Company" / "JPL")** will be held on **Friday, September 18, 2026** at **12:30 P.M. (IST)** through Video Conferencing **(VC)** / Other Audio Visual Means **(OAVM)**, in compliance with the applicable provisions of the Companies Act, 2013 ("the Act") and the Rules made thereunder and the Securities and Exchange Board of India (Listing Obligations and Disclosure Requirements) Regulations, 2015 ("the Listing Regulations"), read with General Circular No. 14/2020 dated April 08, 2020, and subsequent circulars issued in this regard by the Ministry of Corporate Affairs **("MCA")** (collectively referred to as "MCA circulars"), and circulars issued by the Securities and Exchange Board of India **("SEBI")** dated January 5, 2023 and October 7, 2023 and other pertinent circulars (collectively referred to as "SEBI circulars"), to transact the businesses as set out in the Notice convening the AGM **("the Notice")**. Members participating through the VC / OAVM facility shall be reckoned for the purpose of quorum under Section 103 of the Act.

In compliance with the relevant circulars, the Notice convening the AGM and Annual Report of the Company for the financial year 2025-26 will be sent **ONLY** through electronic mode to those shareholders, whose e-mail addresses are registered with the Company / Company's Registrar and Share Transfer Agent, KFin Technologies Limited ("KFintech") or Depositories in due course. Shareholders are requested to register their email addresses and mobile numbers with their relevant depositories through their depository participants.

The aforesaid documents shall also be made available on the Company's corporate website at www.jplcorp.in and on the website of the Stock Exchanges, i.e., BSE Limited at www.bseindia.com and National Stock Exchange of India Limited at www.nseindia.com, and on the website of KFintech at https://evoting.kfintech.com.

Members will be able to attend and participate in the AGM through VG/ OAVM only. The instructions for (i) registering / updating email addresses, (ii) casting vote through remote e-voting and e-voting during the AGM, and (iii) joining the AGM through VC / OAVM for members holding shares in dematerialized mode and physical mode will be provided in the Notice of the AGM.

**For Jagran Prakashan Limited**
**Sd/-**
**(Amit Jaiswal)**
**Chief Financial Officer and Company Secretary & Compliance Officer**
**Membership No.: F5863**

**Place: Kanpur**
**Date: August 19, 2026.**

## OIL INDIA LIMITED

**CIN: L11101AS1959GOI001148**
**Regd. Office: P.O. Duliajan, Dist. Dibrugarh, Assam – 786602**
**Email: investors@oilindia.in, Website: www.oil-india.com**

ऑयल इंडिया OIL INDIA

**Notice for registration / updation of E-mail IDs & Special Window for Transfer and Dematerialisation of Physical Securities**

NOTICE is hereby given that the 67th Annual General Meeting ("AGM") of the Members of Oil India Limited ("Company") will be held in compliance with the applicable provisions of the Companies Act, 2013 and the rules made thereunder and various Circulars issued by Ministry of Corporate Affairs ("MCA") and Securities and Exchange Board of India ("SEBI").

In compliance with the above-mentioned circulars, soft copies of Notice of AGM and Integrated Annual Report 2025-26 will be sent to the Members whose E-mail IDs are registered with Company / Depositories.

**Registration of E-mail IDs**

**Member(s) who have not registered their E-mail IDs** with the Company/Depositories, are requested to follow the below mentioned instructions to register their E-mail IDs for receipt of Integrated Annual Report 2025-26, login details for e-voting, future communication etc.

For registration of E-mail IDs and KYC updation

| | |
|---|---|
| **Physical Holding** | Kindly submit Investors' Service Request Form ISR-1, Form ISR-2 and Nomination Form i.e. Form SH-13/SH-14/ISR-3 duly filled (as per the instructions stated therein) along with all supporting documents, to KFin Technologies Ltd., Registrar & Share transfer agent of the Company. The Investors' Request Forms can be downloaded from the Company's website https://www.oil-india.com (Investors > Investor Services > Under Tab 'Forms'). |
| **Demat Holding** | Members holding shares in Demat form are requested to register/update their E-mail IDs and to complete the KYC formalities with their respective Depository Participant. |

**TDS on Dividend**

In terms of the Income Tax Act, 2025, the Company shall deduct tax at source ("TDS") at the time of the payment of dividend. In order to enable us to determine the applicable TDS rate, members are requested to submit the relevant documents by 7th September, 2026 on the path given below.

Web-link for submission of Form 121 along with sample Form(s) is available on website of the Company at following path **www.oil-india.com** => Investors => Investor Services => TDS on Dividend. Shareholder will proceed to website of RTA (KFin Technologies Ltd) after clicking on the weblink for submission of the said forms.

**KYC Requirement**

SEBI has mandated that with effect from April 01, 2024, dividend to physical security holders shall be paid only through electronic mode. Accordingly, the payment would be withheld if the KYC details viz. PAN, Nomination, contact details including mobile number, bank account details and specimen signature etc. are not available against the folio number of the members. To complete your KYC, kindly refer to instructions given in table hereinabove in this notice.

**Special Window for Transfer and Dematerialisation of Physical Securities**

SEBI vide its circular latest being dated 30th January 2026, has opened another Special window for transfer and dematerialisation ("demat") for a period of one year from 05.02.2026 to 04.02.2027, which were sold/purchased prior to April 01, 2019 and the documents completed in all aspects must be lodged with the Company/RTA on or before 04.02.2027. The securities that are lodged for transfer shall be issued only in demat mode subject to compliance with due process for such transfer-cum-demat requests. For more details, please reach to KFin Technologies Ltd., Registrar & Share Transfer Agent.

**Further, shareholders holding shares in physical form are requested to dematerialize their shares at the earliest.**

**For Oil India Limited**
**Sd/-**
**A.K. Sahoo**
**Company Secretary**
**ACS 12385**

**Place: Noida**
**Date: 18.08.2026**

## THE INDIAN PERFORMING RIGHT SOCIETY LIMITED

**CIN:** U92140MH1969GAP014359
**Registered Office:** 208, Golden Chambers, New Andheri Link Road, Andheri (West) Mumbai – 400 053 **Telephone No.:** 6972 9999 / 4606 7653
**Website:** www.iprs.org **Email:** responseagm@iprs.org

**NOTICE**

Notice is hereby given, pursuant to the applicable provisions of the Companies Act, 2013, Rules made thereunder and General Circulars issued by Ministry of Corporate Affairs, Government of India, that the 56th Annual General Meeting (AGM) of the members of The Indian Performing Right Society Limited ("the Company") will be held on **Monday, 28th September, 2026 at 11.30 A.M.**at ISKCON's Auditorium, Hare Krishna Land, Next to Hare Krishna Temple, Juhu, Mumbai – 400 049, to transact the businesses as set out in the Notice convening the AGM.

In compliance with the provisions of the Companies Act, 2013 and MCA circulars, Notice of the AGM along with the Annual Report will be sent only through electronic mode to those Members whose email addresses are registered with the Company, no physical copies of Notice of AGM and Annual Report will be sent to any Member. Members may note that the Notice and Annual Report will also be available on the Company's website www.iprs.org and of CDSL's website https://www.evotingindia.com/

The Members who have still not registered their email addresses with the Company can register their email ID by sending an e-mail from their e-mail address to responseagm@iprs.org mentioning their full name, Membership No. (IPI No.), Category, Mobile No. and other details, if any, to receive AGM Notice, Annual Report for the Financial Year ended March 31, 2026, etc. through electronic mode.

**For The Indian Performing Right Society Limited**
**Sd/-**
**Rakesh Nigam**
**CEO**

**Place : Mumbai**
**Date : 18.08.2026**

## GOVERNMENT OF TAMIL NADU FINANCE DEPARTMENT, CHENNAI-9

**Dated: August 18, 2026**

**PRESS COMMUNIQUE**

It is notified for general information that the outstanding balance of **8.72% Tamil Nadu SDL, 2026** issued in terms of the Government of **Tamil Nadu**, Finance Department, Notification **No.379(L)/W&M-II/2018**, dated **September 14, 2018** will be repaid at par on **September 19, 2026** with interest due up to and including **September 18, 2026**. In the event of a holiday being declared on the aforesaid date by any State Government under the Negotiable Instruments Act, 1881, the loan will be repaid by the paying offices in that State on the previous working day. No interest will accrue on the loan from and after **September 19, 2026.**

2. As per sub-regulation 24(2) and 24(3) of Government Securities Regulations, 2007 payment of maturity proceeds to the registered holder of Government Security held in the form of Subsidiary General Ledger or Constituent Subsidiary General Ledger account or Stock Certificate shall be made by a pay order incorporating the relevant particulars of his bank account or by credit to the account of the holder in any bank having facility of receipt of funds through electronic means. For the purpose of making payment in respect of the securities, the original subscriber or the subsequent holders of such a Government Securities, as the case may be, shall submit to the Bank or Treasury and Sub-Treasury or branch of State Bank of India, where they are enfaced / registered for payment of interest, as the case may be, the relevant particulars of their bank account.

3. However, in the absence of relevant particulars of bank account/mandate for receipt of funds through electronic means, to facilitate repayment on the due date, holders of **8.72% Tamil Nadu SDL, 2026** should tender their securities at the Public Debt Office, 20 days in advance. The securities should be tendered for repayment, duly discharged on the reverse thereof as under: -

"***Received the Principal due on the Certificate***".

4. It should be particularly noted that at places where the treasury work is done by a branch of the State Bank of India, the securities, if they are in the form of Stock Certificates, should be tendered at the branch of the bank concerned and not at the Treasury or Sub -Treasury.

5. Holders who wish to receive payment at places other than those where the securities have been enfaced for payment should send them duly discharged to the Public Debt Office concerned by Registered and Insured Post. The Public Debt Office will make payment by issuing a draft payable at any Treasury/Sub-Treasury or branch of State Bank of India conducting Government Treasury work in the State of **Tamil Nadu.**

**M.A. SIDDIQUE**
**Additional Chief Secretary to Government, Finance Department, Chennai-9.**

DIPR/ 708 /DISPLAY/2026

## INDIAN TERRAIN FASHIONS LIMITED

CIN: L18101TN2009PLC073017
Registered office and Address for communication:
Survey No. 549/2 & 232, Plot No 4 Thirukkachiyur & Sengundram Industrial Area, Singaperumal Koil Post, Chengalpattu – 603204, Tamil Nadu
Email ID: response.itfl@indianterrain.com,
Ph: 044 – 4227 9100 | Website: www.indianterrain.com

**NOTICE OF 17th ANNUAL GENERAL MEETING**

Notice is hereby given that the 17th Annual General Meeting (AGM) of the Members of the Company will be held on Wednesday, 9th September 2026 at 11:00 AM IST through Video Conferencing ("VC") / Other Audio Visual Means ("OAVM"). The Ministry of Corporate Affairs in continuation with the Circulars issued earlier in this regard has vide its General Circular No. 3/2025 dated 22nd September 2025 ("MCA Circulars) allows conducting of Annual General Meeting of the Company through VC or OAVM without the physical presence of the members for the meeting at a common venue. Hence, Members can attend and participate in the 17th AGM through VC/OAVM only.

In compliance with the aforesaid MCA Circulars, Notice of the 17th AGM along with the Annual Report for the Financial Year 2025-26 is being sent only through electronic mode to those Members whose e-mail addresses are registered with the Company / Depositories. The Notice calling the AGM together with the full Annual Report has been uploaded on the website of the Company at www.indianterrain.com, on the website of the Stock Exchanges i.e. National Stock Exchange or India limited (NSE) at https://www.nseindia.com/ and BSE Limited at https://www.bseindia.com/ and on the website of CDSL (agency providing the VC / OAVM facility, Remote e-Voting facility and e-voting system during the AGM) i.e. www.evotingindia.com. The shareholders may also send request to the Company's investor email id: secretarial@indianterrain.com to get the copy of Annual Report and for any other investor related communication.

**Manner of registering/ updating email addresses:**

Members who have not registered their e-mail address and mobile number are requested to register the same in respect of shares held in demat mode with the concerned Depository Participant (DP) and in respect of shares held in physical mode, by submitting Form ISR-1 with the e-mail address, Folio number details and relevant documents to the Company at secretarial@indianterrain.com or to our Registrar & Share Transfer Agent (RTA) viz. MUFG Intime India Private Limited (previously known as "Link Intime India Private Limited") at rnt.helpdesk@in.mpms.mufg.com.

**Instructions for Voting through electronic means:**

Pursuant to the provisions of Section 108 of the Companies Act 2013 read with Rule 20 of the Companies (Management and Administration) Rules, 2014 (as amended) and Regulation 44 of SEBI (Listing Obligations & Disclosure Requirements) Regulations 2015 (as amended) and aforesaid MCA Circulars, your Company will be providing the facility of remote e-voting to the Members in respect of the business to be transacted at the AGM and has arranged the facility for voting through electronic means through Central Depository Services (India) Limited (CDSL).

In terms of SEBI Circular No. SEBI/HO/CFD/CMD/CIR/P/2020/242 dated 9th December 2020 on e-voting facility provided by listed Companies, individual shareholders holding securities in demat mode are allowed to vote through their demat account maintained with Depositories and Depository Participants by way of a single login credential. Shareholders are advised to update their mobile number and email id in their demat accounts in order to access e-Voting facility.

Members whose names appear on the Register of Members / Registrar of Beneficial Owners maintained by the Depositories as on the Cut-off Date for e-voting, i.e. Wednesday, 2nd September 2026, shall be entitled to avail the facility of remote e-voting / e-voting at the AGM. Any person who acquires shares of the Company and becomes a Member after despatch of the Notice but before the cut-off date for e-voting, i.e. Wednesday, 2nd September 2026, may obtain the Login ID and password by sending an e-mail to rnt.helpdesk@in.mpms.mufg.com or helpdesk.evotingindia@cdslindia.com by mentioning their Folio No. / DP ID and Client ID Number.

The remote e-voting commences on Friday, 4th September 2026 at 9.00 A.M. IST and ends on Tuesday, 8th September 2026 at 5.00 P.M. IST. Members will not be able to cast their vote through remote e-voting beyond the said date and time and the remote e-voting module shall be disabled for by CDSL thereafter.

Additionally, the facility for e-voting shall also be made available at the time of AGM for Members attending the meeting who have not already cast their vote by remote e-voting shall be able to exercise their right through e-voting during the AGM. Detailed procedures for remote e-voting and e-voting at the AGM are provided in the Notice.

Mr. K. J. Chandramouli, Partner of M/s. BP & Associates, Practising Company Secretaries, Chennai have been appointed as Scrutinizer for conducting the e-voting process (electronically or otherwise) in a fair and transparent manner.

The results declared along with the Scrutinizer's Report shall be placed on the Company's website www.indianterrain.com and website of CDSL www.evotingindia.com and simultaneously communicated to the Stock Exchanges viz. The National Stock Exchange of India Limited and BSE Limited, Mumbai, where the Company's shares are listed, not later than two working days after the conclusion of AGM.

Notice is also given pursuant to Section 91 of the Companies Act, 2013 and Rule 10 of the Companies (Management and Administration) Rules, 2014 (as amended), that the Register of Members and Share Transfer Books will remain closed from Thursday, 3rd September 2026 to Wednesday, 9th September 2026 (both days inclusive) on account of 17th Annual General Meeting.

Any query / grievance in relation to voting by electronic means can be addressed to Company Secretary & Compliance Officer, Indian Terrain Fashions Limited at Survey No. 549/2 & 232, Plot No 4 Thirukkachiyur & Sengundram Industrial Area, Singaperumal Koil Post, Chengalpattu – 603204, Tamil Nadu, Ph: 044 – 4227 9100, Email: secretarial@indianterrain.com or MUFG Intime India Private Limited (previously known as "Link Intime India Private Limited) at C101, Embassy 247, L.B.S.Marg, Vikhroli (West), Mumbai – 400083 who are our Registrar and Share Transfer Agent (RTA), Telephone No. 022 - 4918 6000, Email to rnt.helpdesk@in.mpms.mufg.com or call CDSL No. 1800 22 55 33 or email to helpdesk.evoting@cdslindia.com.

**By Order of the Board**
**for Indian Terrain Fashions Limited**
**Sainath Sundaram**
**Company Secretary & Compliance Officer**
**Membership No: F12981**

**Place : Chennai**
**Date : 18th August 2026**

## Transpek Industry Limited

**CIN : L23205GJ1965PLC001343**
**Registered Office :** 4th Floor, Lilleria 1038, Gotri - Sevasi Road, Vadodara - 390 021.
**Ph # :** (0265) 6700300 **Email :** secretarial@transpek.com **Website :** www.transpek.com

**NOTICE**

Members are hereby informed that the Company has completed electronic dispatch of the Annual Report 2025-2026 on Tuesday, 18th August, 2026 for the 60th Annual General Meeting of the Company to be held on **Tuesday, 15th September, 2026 at 03.00 p.m.** by means of Video Conference (VC) / Other Audio Visual Means (OAVM).

As required under Section 108 of the Companies Act, 2013 read with Rule provide Companies (Management and Administration) Rules, 2014, the Company is pleased to provide to its shareholders the facility to cast their vote by electronic means on all the resolutions set forth in the notice. The requisite details pursuant to the provisions of the Companies Act, 2013 and the Rules are given hereunder :

a) Date and time of commencement of remote e-voting : **Saturday, 12/09/2026 at 09.00 a.m. (IST)**
b) Date and time of end of remote e-voting : **Monday, 14/09/2026 at 05.00 p.m. (IST)**
c) Investors who become members of the Company subsequent to the dispatch of the Notice / E-mail and holds the share as on the **cut-off date i.e. 07/09/2026**, are requested to send written / email communication to Company's Registrar and Share Transfer Agent at vadodara@linkintime.co.in by mentioning their Folio No. / DP ID and Client ID to obtain Login-ID and Password for e-voting.
d) Remote e-voting shall not be allowed beyond 05:00 p.m. on 14/09/2026.
e) A member may participate in the meeting even after exercising his right to vote through remote e-voting but shall not be allowed to vote again in the meeting.
f) Voting by members who have not exercised his right to vote through remote e-voting and present at the meeting, will be entitled to vote during the AGM.
g) A person whose name is recorded in the register of members or in the register of beneficial owners maintained by the depositories as on the cut-off date only, shall be entitled to avail the facility of remote e-voting / voting at the meeting.
h) The notice of the 60th Annual General Meeting is available on the Company's website at www.transpek.com.
I) For electronic voting instructions, Shareholders are requested to follow the instructions given in the Notice of the 60th Annual General Meeting and in case of any queries / grievances connected with electronic voting, shareholders may refer Frequently Asked Questions ("FAQ's") and InstaVote e-Voting manual available at https://instavote.mufgintime.co.in under Help section or send an email to enotices@mufgintime.co.in or contact on : - Tel : 022 - 4918 6000.

**By order of the Board**
**For Transpek Industry Limited**
**Alak D. Vyas**
**Company Secretary and Compliance Officer**

**Date : 18.08.2026**
**Place : Vadodara**

# শিলচৰত অটো-ভেনৰ মুখামুখি সংঘৰ্ষত একেটা পৰিয়ালৰ নিহত ২

## শিশু-মহিলাসহ গুৰুতৰভাৱে আহত ৪ জনক চিকিৎসালয়ত ভৰ্তি

**'আমাৰ অসম'ৰ শিলচৰৰ প্ৰতিনিধি, ১৮ আগষ্ট ঃ** আত্মীয়ৰ ঘৰলৈ গৈ থকা অৱস্থাত এক ভয়ংকৰ পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰ দুই সদস্যই প্ৰাণ হেৰুৱাইছে। গুৰুতৰভাৱে আহত আৰু ৪ গৰাকী শিলচৰ মেডিকেল কলেজ এণ্ড হাস্পতালত চিকিৎসাধীন হৈ আছে। কালি শিলচৰ-আইজল ৰাষ্ট্ৰীয় ঘাইপথ নং ৩০৬ৰ কাবুগঞ্জৰ পাকিবিল অঞ্চলত সংঘটিত হয় এই শোকাৱহ দুৰ্ঘটনা। জানিব পৰা মতে, শিলচৰৰ তৰণী পথৰ পৰা ধলাই সপ্তগ্ৰামৰ এজন আত্মীয়ৰ ঘৰলৈ যাওঁতে এ এছ-১১-চি-৫২১৮ নম্বৰৰ এখন ইলেক্ট্ৰিক অটো এ এছ-১১-এফ চি-৩৮১৮ নম্বৰৰ এখন স্কুল ভেনৰ সৈতে খুন্দা মাৰে। সংঘৰ্ষ তীব্ৰ হোৱাত অট'ৰ যাত্ৰীসকল ৰাস্তাৰ বাহিৰলৈ ছিটিকি পৰে। লগতে অটোখন ব্যাপক ক্ষতিগ্ৰস্ত হয়। স্থানীয় লোকে ক্ষিপ্ৰতাৰে আহতসকলক উদ্ধাৰ কৰি শিলচৰ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে। তাত চিকিৎসকে ৫৮ বছৰীয়া বেবুল উদ্দিন লস্কৰ আৰু দুবছৰীয়া মেহনাজ বেগম লস্কৰক মৃত ঘোষণা কৰে। এই দুৰ্ঘটনাত ছাইৰা বেগম লস্কৰ, সোহানা বেগম লস্কৰ, ছাবিৰ উদ্দিন লস্কৰ আৰু পাঁচ বছৰীয়া চুহানী বেগম লস্কৰ গুৰুতৰভাৱে আহত হয়। ইয়াৰে একাংশৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। মৃত আৰু আহতসকল একেটা পৰিয়ালৰ সদস্য। আপোনজনৰ ঘৰলৈ যোৱাৰ আনন্দ নিমিষতে শোকলৈ পৰিণত হ'ল। এই ঘটনাৰ পিছতে পাকিবিল অঞ্চলত শোকৰ ছাঁ নামি আহিছে।

## অভিনেতা ধন বৰাৰ মৃত্যু



**'আমাৰ অসম'ৰ ভূৰাগাঁৱৰ প্ৰতিবেদক, ১৮ আগষ্ট ঃ** মৰিগাঁও জিলাৰ গেৰুৱা গাঁৱৰ অভিনেতা ধন বৰা আৰু নাই। আজি পুৱা ৮ বজাত নিজা বাস ভৱনত ৬২ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী আৰু দুই সন্তানক এৰি থৈ গৈছে। ধন বৰা আছিল এজন আজন্ম শিল্পী। ১৯৭৫-৭৬ চনৰ পৰাই নাট ভাওনাৰ সৈতে জড়িত বৰাৰ ঘৰখনত আছিল এক সাংস্কৃতিক পৰিৱেশ। সেই পৰিৱেশে দিছিল ধন বৰাক এক সাংস্কৃতিক মন। ১৯৭৮ চনত লগৰ সমনীয়াৰ সৈতে মিলি হাতে কামে লাগি মেন্থেল লাইটৰ পোহৰত অঞ্চলটোত নাট্য আন্দোলনৰ নৱজাগৰণ সৃষ্টি কৰা কাণ্ডাৰীসকলৰ ভিতৰত ধন বৰাৰ নামো অন্যতম। তদুপৰি ধন বৰা এজন নৃত্য শিল্পীও আছিল। আশীৰ দশকত বহুকেইখন নৃত্য নাটিকাত বিশেষকৈ জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আদি চৰিত্ৰত অভিনয় কৰি ধন বৰাই ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। তেওঁ সামাজিক নাট আৰু আহীয়া নাটৰো এজন দক্ষ অভিনেতা আছিল। যোৱা এটা বছৰ ধৰি তেওঁ কৰ্কট ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। আজি তেওঁৰ মৃত্যুৰ বাতৰি বিয়পি পৰা মাত্ৰকে গুণমুগ্ধ সকল তেওঁৰ বাসভৱনত শেষ শ্ৰদ্ধা নিবেদনৰ বাবে ভিৰ কৰে।

# বেংগালুৰুত অসমৰ যুৱকৰ ৰহস্যজনক মৃত্যু, হত্যাৰ সন্দেহ



**'আমাৰ অসম'ৰ গোসাঁইগাঁৱৰ প্ৰতিনিধি, ১৮ আগষ্ট ঃ** সংস্থাপনৰ সন্ধানত বহিঃৰাজ্যলৈ যোৱা অসমৰ আন এজন যুৱকৰ আকস্মিক মৃত্যুৰ বাতৰিয়ে বৰ্তমান শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱৰ ভদেয়াগুৰি গাঁৱত। জীৱিকাৰ তাড়নাত কৰ্ণাটকৰ বেংগালুৰুলৈ যোৱা ১ নম্বৰ হাতীগাঁও গাঁৱৰ নিবাসী ৰবীন ৰায় নামৰ যুৱকজনৰ সোমবাৰে মৃত্যু ঘটে। কিন্তু চৰম আৰ্থিক নাটনিৰ বাবে অসহায় পৰিয়ালটোৱে বৰ্তমানলৈকে মৃতদেহটো নিজ গৃহলৈ ঘূৰাই আনিবলৈ সক্ষম হোৱা নাই। অৰ্থৰ অভাৱত বৰ্তমান বহিঃৰাজ্যৰে চিকিৎসালয়ৰ মৰ্গত আৱদ্ধ হৈ আছে শ্ৰমিকজনৰ নশ্বৰ দেহ। প্ৰাপ্ত তথ্য মতে, মৃত ৰবীন ৰায়ে বাংগালোৰত এটা ব্যক্তিগত কোম্পানীৰ গাড়ী চালক হিচাপে কৰ্মৰত আছিল। বিগত তিনি মাহ ধৰি কৰ্মৰত হৈ আছিল যুৱকজন। সোমবাৰে এক পথ দুৰ্ঘটনাত তেওঁৰ মৃত্যু হোৱা বুলি আৰক্ষীয়ে ফোনযোগে অসমত থকা পৰিয়ালৰ লোকক অৱগত কৰে। গুৰুত্বপূৰ্ণ কথা যে ৰবীন ৰায় দৰমহা উঠাই দুই এদিনৰ ভিতৰতে ঘৰলৈ অহা কথা আছিল। এই কথা পৰিয়ালক অৱগত কৰিছিল ফোনযোগে। ৰবীন ৰায় শনিবাৰে নিজৰ দৰমহা উঠাই মঙলবাৰে ঘৰত আহিবলৈ গাড়ীত উঠা কথা আছিল। কিন্তু খবৰ আহিল ৰবীন ৰায় পথ দুৰ্ঘটনাত মৃত্যু হোৱাৰ বেয়া খবৰ। এই খবৰ পোৱাৰ পিছত দৰিদ্ৰ পৰিয়ালটো কৰ্ণাটকত যোগাযোগ কৰে যদিও মৃতদেহ আনিবলৈ ৭০ হাজাৰ টকা বিচাৰে এটা চক্ৰই। এই কথা জানিব পাৰি দৰিদ্ৰ পৰিয়ালটো ভাঙি পৰে। ইফালে, ঘটনা সন্দৰ্ভত বেংগালুৰু আৰক্ষীয়ে ইয়াক এক পথ দুৰ্ঘটনা বুলি অভিহিত কৰিছে যদিও মৃত শ্ৰমিকজনৰ পৰিয়ালে ইয়াক সহজভাৱে ল'ব পৰা নাই। পৰিয়ালৰ লোকৰ গুৰুতৰ অভিযোগ যে ৰবীনক পৰিকল্পিতভাৱে হত্যা কৰি সমগ্ৰ ঘটনাটোক পথ দুৰ্ঘটনাৰ ৰূপ দিয়াৰ চেষ্টা চলাইছে কোনো দুষ্কৃতিকাৰীয়ে। এই সন্দৰ্ভত এক নিৰপেক্ষ তদন্তৰো দাবী জনাইছে পৰিয়ালটোৱে। বৰ্তমান মৃতদেহটো অসমলৈ আনিবলৈ যি বৃহৎ পৰিমাণৰ ধনৰ প্ৰয়োজন, তাক বহন কৰিবলৈ অসমৰ্থ দৰিদ্ৰ পৰিয়ালটো। এই কঠিন সময়ত সম্পূৰ্ণ উপায়হীন হৈ পৰিয়ালৰ লোকে মৃতদেহটো শেষ কৃত্য সম্পন্ন কৰিবৰ বাবে অসমলৈ আনিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জৰুৰী হস্তক্ষেপ তথা আৰ্থিক সহায়ৰ বাবে আকুল আহ্বান জনাইছে।

## বশিষ্ঠত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১৮ আগষ্ট ঃ** বশিষ্ঠ থানাৰ অন্তৰ্গত ছাগালপাৰাৰ কাৰ্বি পথৰ সমীপৰ পৰা এটা উৰলি যোৱা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা হৈছে। প্ৰত্যক্ষদৰ্শীৰ খবৰৰ ভিত্তিত বশিষ্ঠ আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পাছত মৃতদেহটো চিনাক্তকৰণৰ বাবে হাস্পতালখনৰ মৰ্গত ৰখা হৈছে। মৃতদেহটোৰ পৰিচয় জানিবলৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# অইল ইণ্ডিয়া লিমিটেডৰ নতুন আৱাসিক মুখ্য বিষয়া সঞ্জয় বাৰ্মা



**'আমাৰ অসম'ৰ দুলীয়াজানৰ প্ৰতিবেদক, ১৮ আগষ্ট ঃ** দেশৰ অগ্ৰণী ৰাজহুৱা খণ্ডৰ তৈল প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেডৰ জ্যেষ্ঠ তথা অভিজ্ঞ বিষয়া সঞ্জয় বাৰ্মা নতুন আৱাসিক মুখ্য কাৰ্যবাহী বিষয়া হিচাপে নিৰ্বাচিত হৈছে। কালি নয়দাত আন্ত বিভাগীয় নিৰ্বাচনী সমিতিয়ে অনুষ্ঠিত কৰা এক বাছনি পৰীক্ষাত আন চাৰিজন বিষয়াক অতিক্ৰমী বাৰ্মাই শীৰ্ষ আসনখন লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে বৰ্তমানৰ আৱাসিক মুখ্য কাৰ্যবাহী বিষয়া বিনয়ানন্দ ভৰালীৰ কাৰ্যকাল ৩০ ছেপ্টেম্বৰত আনুষ্ঠানিকভাৱে সামৰণি পৰিব আৰু ১ অক্টোবৰৰ পৰা বাৰ্মাই দায়িত্বগ্ৰহণ কৰিব। নতুন আৱাসিক মুখ্য কাৰ্যবাহী বিষয়া হিচাপে দায়িত্ব লাভ কৰা সঞ্জয় বাৰ্মা তেল আৰু গেছ খণ্ডৰ এগৰাকী অত্যন্ত দক্ষ তথা অভিজ্ঞ প্ৰশাসক। শেহতীয়াকৈ তেওঁ অইলৰ ৰাজস্থান তৈলক্ষেত্ৰৰ কাৰ্যবাহী সঞ্চালক হিচাপে কৰ্মৰত আছিল। ডিব্ৰুগড়ৰ সন্তান সঞ্জয় বাৰ্মাই গুৱাহাটীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা মেকানিকেল ইঞ্জিনীয়াৰিঙৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল। এগৰাকী মেকানিকেল ইঞ্জিনীয়াৰ হিচাপে তেল ক্ষেত্ৰখনৰ কাৰিকৰী আৰু প্ৰশাসনিক দিশত তেওঁৰ গভীৰ জ্ঞান আৰু বলিষ্ঠ নেতৃত্বই অইল ইণ্ডিয়াক অধিক গতিশীল কৰিব বুলি আশা কৰা হৈছে।

# যোগীঘোপাত ড্ৰাগ্ মাফিয়াৰ ঘৰত আৰক্ষীৰ অভিযান, নগদ ধনসহ সা-সম্পত্তি বাজেয়াপ্ত

**'আমাৰ অসম'ৰ যোগীঘোপাৰ প্ৰতিবেদক, ১৮ আগষ্ট ঃ** বঙাইগাঁও জিলাৰ যোগীঘোপা আৰক্ষীয়ে ড্ৰাগমাফিয়া মফিদুল ইছলামৰ অবৈধ সা-সম্পত্তিৰ বিৰুদ্ধে অভিযান চলায়। আৰক্ষীয়ে ড্ৰাগমাফিয়াৰ বাসগৃহত অভিযান চলাই বিশাল সা-সম্পত্তি বাজেয়াপ্ত কৰাৰ লগতে তেওঁৰ মাতৃক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে, কৰেয়া পাহাৰ গাঁৱৰ ড্ৰাগমাফিয়া মফিদুল ইছলামৰ বাসগৃহত কালি বিয়লি যোগীঘোপা আৰক্ষীৰ এটা দলে অভিযান চলায়। মফিদুল ইছলামে ড্ৰাগ ব্যৱসায়েৰে ঘটা অবৈধ সা-সম্পত্তিৰ বিৰুদ্ধে আৰক্ষীয়ে চলায় এই অভিযান। অভয়াপুৰী সমজিলা আৰক্ষী অধীক্ষক তৰুণ গোয়েলৰ নেতৃত্বত যোগীঘোপা আৰক্ষীয়ে মফিদুল ইছলামৰ বাসগৃহত অভিযান চলাই তন্নতন্নকৈ তালাচী চলায়। আৰক্ষীয়ে তালাচী চলাই বৃহৎ পৰিমাণৰ নগদ ধন সহ সা সম্পত্তি উদ্ধাৰ কৰে। আৰক্ষীয়ে মফিদুল ইছলামৰ বাসগৃহৰ পৰা ২৬৩৫৫০ টকা নগদ ধন, ৪টা মোবাইল ফোন, সোণৰ আঙুঠি, বেংকৰ পাচবুক আদি বিভিন্ন প্ৰয়োজনীয় নথিপত্ৰ বাজেয়াপ্ত কৰে। আৰক্ষীয়ে মফিদুল ইছলামৰ মাতৃ মমেনা খাতুনকো গ্ৰেপ্তাৰ কৰি আজি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। ইপিনে কালি নিশা মফিদুল ইছলামৰ শহুৰেক ছফিকুল ইছলামৰ বাসগৃহতো আৰক্ষীয়ে অভিযান চলাইছিল। আৰক্ষীয়ে ছফিকুল ইছলামৰ বাসগৃহত অভিযান চলাই বৃহৎ পৰিমাণৰ সোণৰ আ-অলংকাৰ, বিভিন্ন নথিপত্ৰ জব্দ কৰে আৰক্ষীয়ে।

### আৰক্ষীৰ নাম লৈ পিষ্টল দেখুৱাই ধন দাবী!

# দক্ষিণগাঁৱত নিশা দুই যুৱকক প্ৰহাৰ পাঁচজনীয়া দুৰ্বৃত্তৰ

**'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১৮ আগষ্ট ঃ** গুৱাহাটীৰ হাতীগাঁও থানাৰ অন্তৰ্গত দক্ষিণগাঁৱৰ লণ্ডন ব্ৰীজৰ সমীপত যোৱা ১৪ আগষ্টৰ নিশা সংঘটিত এক মাৰপিট আৰু ধন দাবীৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। পিষ্টল আৰু লাঠি লৈ অহা পাঁচজনীয়া যুৱকৰ এটা দলৰ বিৰুদ্ধে দুই যুৱকক প্ৰহাৰ কৰাৰ লগতে ধন দাবী আৰু পিষ্টল দেখুৱাই ভাবুকি দিয়াৰ অভিযোগ উত্থাপন হৈছে। অভিযোগ অনুসৰি, দক্ষিণগাঁৱৰ লণ্ডন ব্ৰীজৰ সমীপৰ এটা ৱাশ্বিং চেণ্টাৰত আৰফান হুছেইন আৰু আক্ৰাম হক নামৰ দুই যুৱকে নিশাৰ আহাৰ গ্ৰহণ কৰি আছিল। সেই সময়তে এখন বাহনেৰে অহা পাঁচজনীয়া যুৱকৰ দলটোৱে দুয়োজনৰ সৈতে বাক-বিতণ্ডাত লিপ্ত হৈ তেওঁলোকক আক্ৰমণ কৰে বুলি অভিযোগত উল্লেখ কৰা হৈছে। ভুক্তভোগী দুজনৰ অভিযোগ অনুসৰি, দলটোৰ সদস্যসকলে নিজকে ভিডিপিৰ সৈতে জড়িত বুলি পৰিচয় দিয়াৰ লগতে হাতীগাঁও আৰক্ষীৰ সৈতে সুসম্পৰ্ক থকাৰ কথা দাবী কৰে। প্ৰথমে ৫০০ টকা আৰু পৰৱৰ্তী সময়ত ১০ হাজাৰ টকা দাবী কৰা হৈছিল বুলি অভিযোগ উঠিছে। ধন দিবলৈ অস্বীকাৰ কৰাত দুয়োজনকে লাঠিৰে প্ৰহাৰ কৰাৰ লগতে পিষ্টল দেখুৱাই ভয়-ভাবুকি দিয়াৰ অভিযোগ কৰিছে ভুক্তভোগীয়ে। এই ঘটনাত ইশ্বাক আহমেদ, আমিনুৰ হক, ছানিদুল ইছলাম, সৌৰভ নাথ আৰু আতিবুৰ নামৰ পাঁচজন যুৱক জড়িত থকাৰ অভিযোগ উত্থাপন কৰিছে আৰফান হুছেইন আৰু আক্ৰাম হকে। ইয়াৰে ইশ্বাক আহমেদ নামৰ যুৱকজনে ভিডিপিৰ পৰিচয় দি সিজুবাৰী অঞ্চলত ভয়-ভাবুকিৰ পৰিৱেশ সৃষ্টি কৰি অহাৰ অভিযোগো ভুক্তভোগী পক্ষই উত্থাপন কৰিছে। ইতিমধ্যে আহত দুই যুৱকে ঘটনাৰ সন্দৰ্ভত হাতীগাঁও থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও বাতৰি লিখাৰ সময়লৈকে অভিযুক্ত পাঁচজনৰ কোনো এজনকো আটক কৰিব পৰা নাই। ঘটনাটোত ব্যৱহাৰ কৰা বুলি অভিযোগ উঠা পিষ্টলটোৰ প্ৰকৃতি আৰু অভিযুক্তসকলৰ ভিডিপিৰ সৈতে প্ৰকৃত সম্পৰ্ক আছে নে নাই, সেই বিষয়েও আৰক্ষীৰ তদন্ততহে স্পষ্ট হ'ব।

WAREHOUSE / GODOWN
measuring
5500 & 2500 sq. ft. (Approx.)
available on
RENT
at Cinnamara Mariani Road
Jorhat (Assam)
Interested parties may contact
94350 - 91341

# জুৰীয়াত আঁচনি দিয়াৰ নামত ধন সংগ্ৰহ ঃ ভুৱা বিজেপি নেতাক গ্ৰেপ্তাৰ

**'আমাৰ অসম'ৰ নগাঁৱৰ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৮ আগষ্ট ঃ** সুবিধাবাদী, লুণ্ঠনকাৰী-দালালৰ বাবে নাথাকে জাতি- ধৰ্ম, ৰাজনৈতিক আদৰ্শৰ কোনো বাধাৰ প্ৰাচীৰ। মুখ্যমন্ত্ৰী, মন্ত্ৰী- বিধায়ক, নেতাৰ একাংশই কথাই প্ৰতি মুছলমানক তুচ্ছ-তাচিল্য, ভাবুকি- ভৰ্ৎসনা কৰিলেও এচাম সুবিধাবাদী মুছলমানে বিনা বাধাৰেই চলাই আছে দালালি, লুণ্ঠন। বিজেপি মন্ত্ৰী-বিধায়কৰ পৰা এটা ফোন কোনো বিষয়ালৈ নিজৰ নামত কৰাব পাৰিলেই বা মন্ত্ৰীৰ গাত গা লগাই হাঁহি হাঁহি এখন ফটো উঠি ছ'চিয়েল মিডিয়াত দিব পাৰিলেই অভীষ্ট সিদ্ধিৰ পথ মুকলি হয় এচাম চতুৰ যুৱকৰ। এনে এজন নগাঁৱৰ যুৱক শেহতীয়াভাৱে প্ৰৱঞ্চনাৰ অভিযোগত গ্ৰেপ্তাৰ হৈছে। ৰাজ্যৰ বিজেপি চৰকাৰৰ কেইজনমান মন্ত্ৰী, বিধায়কৰ সৈতে সু-সম্পৰ্কৰ থকা বুলি প্ৰচাৰ কৰি একাধিক লোকক বিভিন্ন সুবিধা আদায় কৰি দিয়াৰ নামত ধন সংগ্ৰহ কৰি ধনবান হোৱা নগাঁও জিলাৰ সংখ্যালঘু ব'ৰ্ডৰ প্ৰাক্তন চেয়াৰমেন হবিবুৰ ৰহমান ওৰফে বাবুলক এজন সহযোগীৰ সৈতে আৰক্ষীয়ে কালি আটক কৰে। হবিবুৰ ৰহমানৰ বিৰুদ্ধে চাকৰি ঠিকা-ঠুকলি তথা বিভিন্ন চৰকাৰী সুবিধা দিয়াৰ নামত বিভিন্ন লোকৰ পৰা ধন লোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছিল। শেহতীয়াকৈ ধিঙৰ ফাকলি গাঁৱৰ এজন লোকৰ পৰা চৰকাৰী আঁচনিৰ টেক্টৰ আৱণ্টন কৰি দিয়াৰ নামত ৪ লাখ ৬০ হাজাৰ টকা লৈছিল হবিবুৰে। কিন্তু লোকজনক টেক্টৰ যোগান ধৰিব নোৱাৰাত তেওঁ ধন ঘূৰাই বিচাৰে। হবিবুৰে লোকজনক টকা ঘূৰাই দিয়াৰ বিপৰীতে বিভিন্ন ভয়-ভাবুকিহে দি আহিছিল। অৱশেষত ভুক্তভোগী লোকজনে ম'বাইলত বন্দী কৰি ৰখা হবিবুৰে তেওঁৰ পৰা টকা লোৱাৰ মুহূৰ্তৰ প্ৰামাণিক ফটো মন্ত্ৰী পীযূষ হাজৰিকাক প্ৰদৰ্শন কৰে। সেই ফটো দেখি মন্ত্ৰী হাজৰিকা ক্ষুব্ধ হৈ পৰে। পিছত মন্ত্ৰীজনৰ নিৰ্দেশ মৰ্মে আৰক্ষীয়ে অভিযান চলাই অভিযুক্ত হবিবুৰ ৰহমান আৰু তেওঁৰ সহযোগী জিয়াউল হকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে প্ৰাথমিক তদন্তৰ অন্তত অভিযুক্ত দুয়োজনকে আদালতত হাজিৰ কৰাত আদালতে জে'ল হাজোতলৈ প্ৰেৰণ কৰে।

## পোৱামক্কাত হাজোৰ হজ যাত্ৰীৰ মৃত্যু



**'আমাৰ অসম'ৰ হাজোৰ প্ৰতিবেদক, ১৮ আগষ্ট ঃ** পৱিত্ৰ মোক্কাশ্বৰিফলৈ হজ কৰিবলৈ গৈ হাজোৰ বৰছলিৰ অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া জয়ান আলীৰ (৭০) মৃত্যুক কেন্দ্ৰ কৰি অঞ্চলজুৰি শোঁকৰ ছা পৰিছে। যোৱা ২৭ জুলাই তাৰিখে সহধৰ্মীণীৰ লগত ওমৰা হজ কৰিবলৈ পৱিত্ৰ মোক্কাশ্বৰিফলৈ গুৱাহাটীৰ পৰা ৰাওনা হয়। ছৌদি আৰৱত গৈ পোৱাৰ পাছত ১ আগষ্টত অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়াগৰাকীয়ে অসুস্থ হৈ পৰাত লগে লগে ছৌদি আৰৱৰ হাস্পতালত ভৰ্তি কৰোৱা হয়। প্ৰায় ১৮ দিন চিকিৎসালয়ত চিকিৎসাধীন হৈ থাকি আজি শেষ নিশ্বাস ত্যাগ কৰে। প্ৰয়াত জয়ান আলী জীৱিত কালত বৰছলি অঞ্চলৰ বৃহত্তৰ বৰছলি নাগৰিক মঞ্চৰ সভাপতিৰ দায়িত্বত আছিল। সৰ্বৰাহী সমাজসেৱক জয়ান আলীৰ মৃত্যুত অঞ্চলৰ অপূৰণীয় ক্ষতি হোৱা বুলি বৰছলিৰ সচেতন মহলে জানিবলৈ দিছে। আজি জয়ান আলীৰ মৃত্যুত বিভিন্ন দল-সংগঠনে বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ মৃত্যুৰ সময়ত পত্নীসহ দুজন পুত্ৰ-বোৱাৰী, নাতি-নীতিনী, ভ্ৰাতৃৰ লগতে আত্মীয়ক এৰি যায়।

# প্ৰহসনত পৰিণত স্মাৰ্ট চিটী প্ৰকল্প, ব্যৰ্থ পৌৰ নিগম

## ষ্ট্ৰীট লাইটৰ অভাৱ, আন্ধাৰত বুৰ যায় বৃহত্তৰ সাতগাঁও অঞ্চল



**'আমাৰ অসম'ৰ মহানগৰীৰ প্ৰতিবেদক, ১৮ আগষ্ট ঃ** 'গুৱাহাটী স্মাৰ্ট চিটি' প্ৰকল্পক প্ৰহসনত পৰিণত কৰি কৰ আৰু জৰিমনা সংগ্ৰহতে নিজৰ দায়িত্ব সামৰা গুৱাহাটী পৌৰ নিগমে ৰাইজক ন্যূনতম সা-সুবিধা প্ৰদানত চৰমভাৱে ব্যৰ্থ হৈছে। অন্যটো বাদেই, পৌৰ নিগমৰ অন্তৰ্গত অধিকাংশ ৱাৰ্ডৰ বাসিন্দাক বিশুদ্ধ খোৱাপানী যোগান আৰু ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি দিয়াত ব্যৰ্থ হৈছে। নিগমৰ এনে ব্যৰ্থতাৰ বাবে চৰম জীয়াতু ভুগিবলগীয়া সাধাৰণ কৰদাতা ৰাইজ। অভিযোগ অনুসৰি বাৰম্বাৰ ৰাজহুৱা অনুৰোধ জনোৱা পাছতো গুৱাহাটী পৌৰ নিগমৰ অন্তৰ্গত সাতগাঁৱৰ দলবাৰীৰ বৃহত্তৰ অঞ্চলত আজি পৰ্য্যন্ত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি দিয়াত ব্যৰ্থ হৈছে নিগম। মেয়াৰৰ পৰা আৰম্ভ কৰি স্থানীয় কাউন্সিলৰ পৰ্য্যন্ত সকলোকে দলবাৰীৰ বিভিন্ন মূল পথ আৰু উপপথ সমূহত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি দিবলৈ বছৰ বছৰ ধৰি অনুৰোধ জনাই থকা হৈছে। কিন্তু ইয়াৰ পাছতো দলবাৰী অঞ্চলৰ কিৰণ খাকলাৰী পথ, বানেশ্বৰ খাখলাৰি পথ, নিৰঞ্জন খাখলাৰি পথ আৰু এই মূল পথ সমূহৰ সংলগ্ন উপপথ সমূহত এই পৰ্য্যন্ত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা নকৰিলে গুৱাহাটী পৌৰ নিগমে। বেলি মাৰ যোৱাৰ লগে লগে এই অঞ্চল সমূহৰ বাট - পথলৈ অন্ধকাৰে আবৰি ধৰে। ফলত দিনে দিনে বৃদ্ধি পাইছে নানা অসামাজিক কাম কাজ। পৌৰ নিগমৰ হেমাহিৰ ফলত চৰম নিৰাপত্তা হীনতাত ভুগিবলগীয়া হৈছে দলবাৰী অঞ্চলৰ কিৰণ খাকলাৰী পথ, বানেশ্বৰ খাখলাৰি পথ, নিৰঞ্জন খাখলাৰি পথ আৰু এই মূল পথ সমূহৰ সংলগ্ন উপপথৰ বাসিন্দা সকল। বড়ো জনগোষ্ঠী আৰু খিলঞ্জীয়া অসমীয়া লোকৰে অধ্যুষিত এই পথ আৰু ইয়াৰ উপপথ সমূহত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি নিদিয়াৰ ফলত নিশা হলেই আন্ধাৰত বুৰ যায় আৰু ৰাইজৰ চলাচল কমি যায়। 'স্মাৰ্ট চিটী' গুৱাহাটীৰ অন্তৰ্গত হোৱাৰ পাছতো আজিও যেন সূৰ্য্যৰ পোহৰৰ ওপৰত নিৰ্ভৰ কৰি চলাচল কৰিবলৈ বাধ্য হৈছে দলবাৰী অঞ্চলৰ এই বাসিন্দাসকল। গুৱাহাটী পৌৰ নিগম, গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্প আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ সুদৃষ্টি ঘনজনবসতি পুৰ্ণ এই অঞ্চলটোত কেতিয়া পৰিব তাৰে আশাত আছে এই বৃহত্তৰ অঞ্চলৰ বাসিন্দা সকল। দলবাৰীৰ কিৰণ খকলাৰী পথ সংলগ্ন নিৰিবিলি পথ উন্নয়ন সমিতিৰ সম্পাদক অধিবক্তা অজয় হাজৰিকাই দলবাৰী অঞ্চলৰ কিৰণ খাকলাৰী পথ, বানেশ্বৰ খাখলাৰি পথ, নিৰঞ্জন খাখলাৰি পথ আৰু এই মূল পথ সমূহৰ সংলগ্ন উপপথ সমূহৰ বাসিন্দা সকলৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি এই পথ সমূহত অগ্ৰাধিকাৰ ভিত্তিত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰি দিবলৈ গুৱাহাটী পৌৰ নিগমক দাবী জনায়।

চানভেলি হস্পিটেল
VALLEY HOSPITAL
(A UNIT OF SUN VALLEY DIABETIC CARE & RESEARCH CENTRE)
Dialysis for Kidney patients under Atal Amrit Abhiyan Scheme are regularly carried out on emergency footing throughout day and night.
কিডনী ৰোগী সকলৰ সুবিধাৰ্থে চৰকাৰৰ অটল অমৃত যোজনাৰ অধীনত দিনৰ ২৪ ঘণ্টাই আমাৰ হস্পিটেলত ডায়েলেচিছিৰ সেৱা চলি আছে।
আৱশ্যক অনুযায়ী যোগাযোগ কৰক।
VALLEY HOSPITAL
G. S. Road, Mathura Nagar, Guwahati
Ph No. : 0361-2336600, 2334762, 98643-69991, 60038-79290

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়
MAHAPURUSHA SRIMANTA SANKARADEVA VISWAVIDYALAYA
[Recognised Under Section 2(f) of UGC Act, 1956]
Nagaon-782001, Assam, Phone : 95310-89104 / 95310-89105
"Ph.D. Admission Notice through MSSVRAT: 2026(September)" Advt. No. 06/26
Online applications are invited from eligible candidates for appearing in the MSSVRAT:2026(September) for admission to the Ph.D. programme offered by the department/centre of MSSV as per the details below:
(1) Assamese (2) Commerce (3) Computer Application (4) Economics (5) Education (6) English (7) Geography (8) Juridical Studies (9) Mathematics (10) North East Studies (11) Performing Arts (12) Physics (13) Political Science (14) Sankaradeva Studies (15) Social Work (16) Sociology (17) Biotechnology (18) Yogic Science (19) Botany (20) Zoology.
*Start date of Online Registration & Submission of Application Form : 17-08-2026
*Last date of submission of filled in application form (Online) : 04-09-2026
*For detail information, visit University website www.mssv.ac.in or scan QR.
For queries: 70862-63529 / 95310-89105
Sd/- Deputy Registrar (Academic)
... জাতীয় চেতনাৰ আলোকত প্ৰজ্ঞাৰ সাধনা ...

অইল ইণ্ডিয়া লিমিটেড
CIN: L11101AS1959GOI001148
পঞ্জীকৃত কাৰ্যালয় ঃ ডাকঘৰ দুলীয়াজান, জিলা - ডিব্ৰুগড়, অসম-৭৮৬৬০২
ইমেইলঃ Investors@oilindia.in, ৱেবচাইটঃ www.oil-india.com

ই-মেইল আইডি পঞ্জীয়ন/ উন্নীতকৰণ আৰু ভৌতিক প্ৰতিভূতি স্থানান্তৰ আৰু বিবস্তুবিহীনতাৰ বাবে বিশেষ উইণ্ডোৰ জাননী

ইয়াৰ দ্বাৰা জনোৱা যায় যে, কোম্পানী আইন, ২০১৩ ৰ প্ৰযোজ্য ব্যৱস্থাৱলী আৰু তাত সন্নিৱিষ্ট নিয়মসমূহ তথা কৰ্পোৰেট পৰিক্ৰমা মন্ত্ৰণালয়ৰ ("এমচিএ") আৰু ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় বোৰ্ডৰ ("ছেবি") দ্বাৰা জাৰি কৰা বিভিন্ন চাৰ্কুলাৰসমূহ মানি চলি অইল ইণ্ডিয়া লিমিটেডৰ ("কোম্পানী") সদস্যসকলৰ **৬৭ সংখ্যক বাৰ্ষিক সাধাৰণ সভাখন ("এজিএম")** অনুষ্ঠিত হ'ব।

ওপৰোক্ত চাৰ্কুলাৰসমূহ মানি চলি এজিএমৰ জাননীৰ ছফ্ট কপি আৰু ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন সদস্যসকললৈ পঠিওৱা হ'ব যিসকলৰ ইমেইল আইডি কোম্পানী/ ডিপোজিটৰীত পঞ্জীকৃত কৰা আছে।

**ই-মেইল আইডি পঞ্জীয়ন**
যিসকল সদস্যই তেওঁলোকৰ ই-মেইল আইডিসমূহ কোম্পানী / ডিপোজিটৰীত পঞ্জীয়ন কৰা নাই তেওঁলোকৰ ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক প্ৰতিবেদন প্ৰাপ্তিৰ বাবে, ই-ভোটিঙৰ বাবে লগইন বিৱৰণ, ভৱিষ্যতৰ যোগাযোগ ইত্যাদিৰ বাবে তেওঁলোকৰ ই-মেইল আইডি পঞ্জীয়ন কৰিবলৈ তলত উল্লেখিত নিয়মাৱলীসমূহ অনুসৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

ই-মেইল আইডি পঞ্জীয়ন আৰু কেৱাইচি উন্নীতকৰণৰ বাবে

| | |
|---|---|
| কায়িক ৰূপত শ্বেয়াৰধাৰী | অনুৰোধ কৰি সঠিকভাৱে পূৰণ কৰি বিনিয়োগকাৰীৰ সেৱা অনুৰোধ প্ৰ-পত্ৰ ISR-1, Form ISR - 2 আৰু নমীনেশ্বন ফৰ্ম অৰ্থাৎ Form SH-13/HS-14/ISR-3 (ইয়াত উল্লেখ কৰাৰ দৰে নিয়মাৱলী অনুসৰি) লগতে সমৰ্থিত নথিপত্ৰৰ Kfin Technologies Ltd, কোম্পানীৰ ৰেজিষ্ট্ৰাৰ আৰু শ্বেয়াৰ ট্ৰেন্সফাৰ এজেণ্টৰ ওচৰত দাখিল কৰক। বিনিয়োগকাৰীৰ সেৱা অনুৰোধ ফৰ্মসমূহ কোম্পানীৰ ৱেবচাইট **https://www.oil-india.com** (Investors > Investor Services > Under Tab 'Forms') ৰ পৰা ডাউনল'ড কৰিব পাৰিব। |
| ডিমেট ৰূপত শ্বেয়াৰধাৰী | ডিমেট আকাৰত শ্বেয়াৰধাৰী সদস্যসকলক তেওঁলোকৰ সংশ্লিষ্ট ডিপোজিটৰী পাৰ্টিচিপেণ্টত তেওঁলোকৰ ইমেইল আইডি পঞ্জীয়ন/উন্নীতকৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল। |

**লভ্যাংশৰ ওপৰত টিডিএছ**
আয়কৰ আইন, ২০২৫ ৰ চৰ্ত সাপেক্ষে, কোম্পানীয়ে লভ্যাংশ পৰিশোধ কৰাৰ সময়ত উৎসতে কৰ কৰ্তন ("টিডিএছ") কৰিব। প্ৰযোজ্য টিডিএছৰ হাৰ নিৰ্ধাৰণ কৰাত আমাক সক্ষম কৰি তুলিবলৈ সদস্যসকলক আমাৰ তলত দিয়া অনুসৰি ৭ ছেপ্টেম্বৰ, ২০২৬ তাৰিখৰ ভিতৰত প্ৰাসংগিক নথিপত্ৰ দাখিল কৰিবলৈ অনুৰোধ জনোৱা হ'ল।
নমুনা ফৰ্মৰ লগতে ফৰ্ম 121 দাখিল কৰাৰ ৱেব-লিংক কোম্পানীৰ ৱেবচাইট **www.oil-india.com**=>Investors => Investor Services => TDS on Dividend ত উপলব্ধ। শ্বেয়াৰহল্ডাৰসকলে উক্ত ফৰ্ম দাখিল কৰাৰ বাবে ৱেবলিংকত ক্লিক কৰাৰ পাছত আৰটিএ (KFin) ৱেবচাইটত যাব পাৰিব।

**কেৱাইচি আৱশ্যকতা**
এছইবিআইয়ে আজ্ঞা দিছে যে ০১ এপ্ৰিল, ২০২৪ ৰ পৰা কায়িক প্ৰতিভূতিধাৰীসকলক কেৱল ইলেকট্ৰনিক পদ্ধতিতহে লভ্যাংশ পৰিশোধ কৰা হ'ব। সেই অনুসৰি, লভ্যাংশ ধৰি ৰখা হ'ব যদিহে কেৱাইচি বিৱৰণ মানে পান, নমিনেশ্বন, ম'বাইল নম্বৰকে ধৰি যোগাযোগ বিৱৰণ, বেংক একাউণ্ট বিৱৰণ আৰু নমুনা স্বাক্ষৰ আদি সদস্যৰ ফলিঅ' নম্বৰৰ বিপৰীতে উপলব্ধ নহয়। আপোনাৰ কেৱাইচি সম্পূৰ্ণ কৰিবলৈ, অনুৰোধ কৰি এই জাননীৰ ওপৰৰ টেবুলত দিয়া নিয়মাৱলীসমূহ চাওক।

**ভৌতিক প্ৰতিভূতি স্থানান্তৰ আৰু বিবস্তুবিহীনতাৰ বাবে বিশেষ উইণ্ডোৰ জাননী**
এছইবিআই য়ে ইয়াৰ চাৰ্কুলাৰ দিনাংক ৩০ জানুৱাৰী, ২০২৬ মৰ্মে ০৫.০২.২০২৬ পৰা ০৪.০২.২০২৭ লৈ এক বছৰৰ বাবে আন এটা বিশেষ উইণ্ডো খুলিছে, যিবিলাক ০১ এপ্ৰিল, ২০১৯ তাৰিখৰ আগতে বিক্ৰী / ক্ৰয় কৰা হছিল আৰু ইয়াৰ সকলো ফালৰ পৰা সম্পূৰ্ণ কৰা নথিপত্ৰসমূহ ০৪.০২.২০২৭ বা তাৰ আগতে কোম্পানী/আৰটিএ-ত দাখিল কৰিব লাগিব। স্থানান্তৰৰ বাবে দাখিল কৰা প্ৰতিভূতিসমূহ সেই স্থানান্তৰ-তথা-ডিমেট কৰাৰ অনুৰোধ অনুপালন কৰাৰ প্ৰক্ৰিয়াৰ চৰ্ততহে জাৰি কৰা হ'ব। অধিক জানিবৰ বাবে অনুগ্ৰহ কৰি KFin Technologies Ltd, ৰেজিষ্ট্ৰাৰ এণ্ড শ্বেয়াৰ ট্ৰেন্সফাৰ এজেণ্টৰ কাষ চাপক।
এই সময়ছোৱাত ট্ৰেন্সফাৰৰ বাবে ৰি-লজড কৰা প্ৰতিভূতিসমূহ যাৱতীয় নথিপত্ৰকৰণ সম্পূৰ্ণ হোৱাৰ পাছত কেৱল ডিমেট পদ্ধতিতহে জাৰি কৰা হ'ব।
**তদুপৰি, ভৌতিক আকাৰত শ্বেয়াৰ ৰখা শ্বেয়াৰহল্ডাৰসকলক অনতিপলমে তেওঁলোকৰ শ্বেয়াৰসমূহ বিবস্তুবিহীন কৰিবলৈ অনুৰোধ জনোৱা হ'ল।**

অইল ইণ্ডিয়া লিমিটেডৰ হৈ
স্বাঃ
এ. কে. চাহু
কোম্পানী সচিব
ACS 12385
স্থান ঃ নইদা
তাৰিখ ঃ ১৮.০৮.২০২৬